**ছিংগাপুৰ গণৰাজ্যৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণ (জানুৱাৰী 14-18, 2025)**
জানুৱাৰী 16, 2025

ছিংগাপুৰ গণৰাজ্যৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰী থাৰমান ছানমুগাৰত্নমে 2025 চনৰ 14 জানুৱাৰী তাৰিখৰ পৰা 18 জানুৱাৰী তাৰিখলৈ ভাৰতলৈ চৰকাৰী ভ্ৰমণৰ বাবে আহিছে। ৰাষ্ট্ৰপতি থাৰমানৰ সৈতে তেওঁৰ সহধৰ্মিনী শ্ৰীমতী জেন ইটোগি ছানমুগাৰত্নমো আহিছে। তেওঁলোকৰ সৈতে অহা প্ৰতিনিধি দলটোত পৰিবহণ মন্ত্ৰী আৰু বিত্ত মন্ত্ৰী শ্ৰী চী হং টাট, জ্যেষ্ঠ ৰাজ্যিক মন্ত্ৰী, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় আৰু ৰাষ্ট্ৰীয় উন্নয়ন মন্ত্ৰালয়ৰ মন্ত্ৰী শ্ৰীমতী ছিম এন তথা ছিংগাপুৰৰ সাংসদ আৰু বিষয়াসকলো অন্তৰ্ভুক্ত আছে। এয়া হৈছে ৰাষ্ট্ৰপতি থাৰমানৰ ভাৰতলৈ প্ৰথমটো চৰকাৰী ভ্ৰমণ।

2. ৰাষ্ট্ৰপতি থাৰমানক ৰাষ্ট্ৰপতি ভৱনত মাননীয় ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আদৰণি জনায় আৰু তেওঁক আনুষ্ঠানিকভাৱে গাৰ্ড অৱ্ অনাৰ প্ৰদান কৰা হয়। ৰাষ্ট্ৰপতি থাৰমানে ৰাজঘাটত মহাত্মা গান্ধীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

3. ৰাষ্ট্ৰপতি থাৰমানৰ সন্মানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে এক ভোজমেলৰ আয়োজন কৰে আৰু বৈঠকত মিলিত হয়। দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে ভাৰত-ছিংগাপুৰ দ্বিপাক্ষিক সম্পৰ্ক স্থাপনৰ 60তম বাৰ্ষিকী উপলক্ষে এক যুটীয়া লগ' উন্মোচন কৰে। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ছিংগাপুৰৰ ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰে। এই বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ ব্যাপক পৰ্যালোচনা কৰে আৰু ভাৰত-ছিংগাপুৰ ব্যাপক কৌশলগত অংশীদাৰীত্ব শক্তিশালী কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰে। তেওঁলোকে উমৈহতীয়া স্বাৰ্থৰ আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰে।

4. বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ৰাষ্ট্ৰপতি থাৰমানক সাক্ষাৎ কৰে। তাৰোপৰি পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী শ্ৰী নীতিন গাডকাৰী; স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু ৰাসায়নিক আৰু সাৰ মন্ত্ৰী শ্ৰী জগৎ প্ৰকাশ নাড্ডা; বিত্ত আৰু ঔদ্যোগিক পৰিক্ৰমা মন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণ; বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী শ্ৰী পীয়ুষ গোৱেল; ৰে'লৱে, তথ্য আৰু সম্প্ৰচাৰ আৰু ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী শ্ৰী অশ্বিনী বৈষ্ণৱ; আৰু দক্ষতা বিকাশ আৰু উদ্যমিতাৰ ৰাজ্যিক মন্ত্ৰী(স্বতন্ত্ৰ) আৰু শিক্ষাৰ ৰাজ্যিক মন্ত্ৰী শ্ৰী জয়ন্ত চৌধুৰীয়ে ৰাষ্ট্ৰপতি থাৰমানক সাক্ষাৎ কৰে।

5. ৰাষ্ট্ৰপতি থাৰমানৰ এই চৰকাৰী ভ্ৰমণে ভাৰত আৰু ছিংগাপুৰৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ 60তম বাৰ্ষিকী উদযাপনৰ আৰম্ভণি চিহ্নিত কৰিছে যি এক শক্তিশালী আৰু বহুমুখী অংশীদাৰীত্বলৈ বিকশিত হৈছে।

6. ছিংগাপুৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে 2025 চনৰ 17 জানুৱাৰীৰ পৰা 18 জানুৱাৰী তাৰিখলৈ ওড়িশা ভ্ৰমণ কৰিব।

7. ছিংগাপুৰ হৈছে ভাৰতৰ এক্ট ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰৰ আমাৰ দৃষ্টিভংগীৰ এক গুৰুত্বপূৰ্ণ স্তম্ভ। এই ভ্ৰমণ ভাৰত-ছিংগাপুৰৰ দ্বিপাক্ষিক সম্পৰ্কৰ এক পৰিঘটনাপূৰ্ণ বছৰৰ পিছত, অৰ্থাৎ 2024 চনৰ ছেপ্টেম্বৰ মাহত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ ছিংগাপুৰ ভ্ৰমণৰ পিছত ভাৰত-ছিংগাপুৰৰ সম্পৰ্ক এক ব্যাপক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত হোৱা পৰিলক্ষিত হৈছে।

**নতুন** দিল্লী
জানুৱাৰী 16, 2025